ৎলা কৰা সন্তান কুসন্তান।
ধিক্কাৰ দিওঁ তেওঁলোকক।
ত দিশো আছে। কেতিয়াবা
া সন্তানৰ পিতৃ বা মাতৃ বা
ান স্বাৰ্থপৰ, মতলবী, নিৰ্দয়
ব হ'ব পাৰে সেয়া হয়তো
কল্পনাৰো বাহিৰত।

*দ্ধ সাহিত্যিক ড° ৰীতা চৌধুৰী*


# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

❐ যোৰহাট সংস্কৰণ ❐ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ১০৮ দেওবাৰ ১৭ ফাগুন ১৯৪৬ শক ২ মাৰ্চ ২০২৫ চন ASOMIYA KHABAR JORHAT SUNDAY 2 MARCH


চক্ৰ
নি



### 'প্ৰাচীৰ পত্ৰিকা শিক্ষাৰ্থীৰ চিন্তা, গৱেষণা আৰু সৃষ্টিশীলতাৰ ফচল' ঃ অধ্যক্ষ ড° শশীকান্ত শইকীয়া

# কানৈ মহাবিদ্যালয়ত একেদিনাই ২১ খন প্ৰাচীৰ পত্ৰিকা উন্মোচন




**ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ মাৰ্চ ঃ** 'প্ৰাচীৰ পত্ৰিকা শিক্ষাৰ্থীৰ চিন্তা, গৱেষণা আৰু সৃষ্টিশীলতাৰ ফচল। প্ৰাচীৰ পত্ৰিকাত শিক্ষাৰ্থীৰ অক্লান্ত পৰিশ্ৰম আৰু সৃষ্টিশীলতাই একোখন মহাবিদ্যালয়ৰ চিন্তা-চৰ্চাক বহু উচ্চ শিখৰলৈ লৈ যায়।' কানৈ মহাবিদ্যালয়ত নৃতত্ব বিভাগৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয়—নৃতত্ব হৈছে মানৱ সমাজ আৰু সংস্কৃতি অধ্যয়নৰ এক অপৰিহাৰ্য বিষয়। যাৰ জৰিয়তে ঐতিহ্য, পৰম্পৰা আৰু সামাজিক গাঁথনিৰ বিষয়ে গভীৰভাৱে বুজিব পাৰে। নৃতত্ব সমগ্ৰ মানৱ সমাজৰ আচাৰ-আচৰণ, অধ্যয়নৰ বিষয় বুলি উল্লেখ কৰি তেওঁ কয়—পৃথিৱীত মানুহৰ আচাৰ-আচৰণ, স্বভাৱ-চৰিত্ৰ অধ্যয়ন কৰাতো অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। নৃতত্ব এক বিশাল ক্ষেত্ৰ। কাৰণ, গোটেই বিষয়টোৱেই মানুহৰ সমাজখনক লৈ গঢ় লৈ উঠিছে। প্ৰাচীৰ পত্ৰিকাত সৃষ্টিশীলতাৰ প্ৰভাৱ স্পষ্ট হয় বুলি উল্লেখ কৰি তেওঁ কয়—ইয়াৰ যোগেদি সাহিত্য, সংস্কৃতি, নেতৃত্ব আৰু দক্ষতা স্পষ্ট হয়। এনে প্ৰাচীৰ পত্ৰিকাত সাম্প্ৰতিক সময়ৰ চিন্তা, আৱিষ্কাৰ, উদ্ভাৱন জড়িত হৈ থাকে। প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ মূহূৰ্তত শিক্ষক, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীক অধ্যক্ষগৰাকীয়ে অভিনন্দন জনায়। উল্লেখ্য যে মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ 'জ্ঞান মাৰ্গ'ত আজি একেলগে মহাবিদ্যালয়ৰ ২১ খন প্ৰাচীৰ পত্ৰিকা মুকলি কৰা হয়। একেলগে, একেঠাইতে, একেদিনাই এইদৰে ২১ খন প্ৰাচীৰ পত্ৰিকা উন্মোচন কাৰতো মহাবিদ্যালয়খনৰ ইতিহাসতে প্ৰথম বুলি বিবেচিত হৈছে। প্ৰতিযোগিতামূলকভাৱে অনুষ্ঠিত হোৱা প্ৰাচীৰ পত্ৰিকা উন্মোচনী অনুষ্ঠানত বিচাৰক হিচাপে উপস্থিত থাকে মৰাণ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক ড° পূৰবী নাথ চলিহা আৰু খ্যাতিসম্পন্ন চিত্ৰশিল্পী-ভাস্কৰ্যশিল্পী দেৱকৃষ্ণ বৰুৱা। বিগত বৰ্ষসমূহৰ দৰে কানৈ মহাবিদ্যালয়ৰ গৰিষ্ঠসংখ্যক প্ৰাচীৰ পত্ৰিকা বিভিন্ন সামজিক মাধ্যমত উপলব্ধ হোৱাৰ ফলত আধুনিক প্ৰযুক্তিৰ মাধ্যমেৰে পৃথিৱীৰ যিকোনো ঠাইৰপৰা এই প্ৰাচীৰ পত্ৰিকাসমূহ অধ্যয়ন কৰাত সহজ হৈ পৰিছে। উল্লেখ্য যে প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ আঁৰত মহাবিদ্যালয়খনৰ আলোচনী আৰু সাহিত্য বিভাগৰ সম্পাদক গৌৰৱ চুতীয়াই মহাবিদ্যালয়খনৰ সকলো বিভাগৰে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছে।